জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৯/২০২০

**নিখিল ৰাভা ছাত্ৰ সন্থা আৰু নিখিল ৰাভা মহিলা পৰিষদৰ মুকলি অধিৱেশনত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# ৰাভা সকলে অসমৰ জনজাতীয় সমাজক আগুৱাই নিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ জানুৱাৰী ঃ** 'ৰাভা জনজাতীয় লোকসকল অত্যন্ত শৃংখলাবদ্ধ। যি জাতি শৃংখলাবদ্ধ, সেই জাতি সবাতোকৈ শক্তিশালী। শৃংখলাবদ্ধ জাতিয়ে সুস্থ চিন্তা কৰিব পাৰে। নিজৰ উন্নত চিন্তাৰ দ্বাৰা এখন সমাজক আগুৱাই নিব পাৰে। ৰাভা সকলেও অসমৰ জনজাতীয় সমাজক আগুৱাই নিব পাৰিব। সেই শক্তি এই জাতিৰ মাজত নিহিত হৈ আছে।' আজি গোৱালপৰা জিলাৰ দুধনৈ ৰাজহুৱা খেলপথাৰত সদৌ ৰাভা ছাত্ৰ সন্থাৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশন আৰু সদৌ ৰাভা মহিলা পৰিষদৰ দশম দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষে অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া জাতিৰ মান-স্বাভিমান বিশ্বত উজ্জ্বলাই তুলিলে। অসমীয়া জাতিক বিশ্বৰ বুকুত সুকীয়া মৰ্যাদাৰে তেখেতে প্ৰতিষ্ঠা কৰিলে। এইগৰাকী মহান শিল্পীৰ আদৰ্শ আৰু মূল্যবোধেৰে অসম চৰকাৰ পৰিচালিত। সেয়েহে চৰকাৰখনে ৰাজ্যখনৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ মান, সন্মান, অধিকাৰ সুৰক্ষিত কৰি শক্তিশালী অসম নিৰ্মাণৰ বাবে নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিছে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰখ্যাত নাট্য শিল্পী শুক্ৰাচাৰ্য ৰাভাই তেওঁৰ অনৰদ্য নাট্য প্ৰতিভাৰে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছিল। 'আণ্ডাৰ দ্যা শাল ট্ৰী' শীৰ্ষক পদক্ষেপৰে অসমৰ নাট্য আন্দোলনক তেখেতে সুকীয়া মৰ্যাদা প্ৰদান কৰিলে। সেইদৰে বিৰুবালা ৰাভাই অন্ধবিশ্বাসৰ বিৰুদ্ধে অহৰহ যুঁজ দি সমাজত বিজ্ঞান মানসিকতাৰে প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে কাম কৰিছে। সেই পদক্ষেপ সমূহে মানৱীয় আবেগ অনুভূতি জাগ্ৰত কৰি মানুহে মানুহৰ বাবে দৃষ্টিভংগীৰে সমাজখনক আগুৱাই নিবলৈ প্ৰেৰণা যোগাইছে।

ৰাজ্যত চৰকাৰ গঠন কৰিয়েই 'সহোদৰ' শীৰ্ষক কাৰ্যসূচীৰ মাধ্যমেদি অসমৰ প্ৰায় ৭০ টা সৰু-বৰ জাতি-জনগোষ্ঠীক একেখন মঞ্চত সমবেত কৰাৰ কথা ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী সোণোৱালে উল্লেখ কৰে। তেখেতে কয় যে এই পদক্ষেপে ৰাজ্যখনৰ জাতি-জনগোষ্ঠীসমূহৰ আবেগ, অনুভূতি বুজাত সহায় কৰাৰ উপৰি তেওঁলোকৰ দুখ-বেদনা সম্পৰ্কেও চৰকাৰখনক সচেতন কৰি তুলে। ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা খিলঞ্জীয়াৰ জাতি, মাটি, ভেটিৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ কাম কৰিছে। ইয়াৰ অংশ হিচাপে ইতিমধ্যে এখন নতুন ভূমি নীতি ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে আৰু শীঘ্ৰে এখন ভূমি আইন প্ৰণয়ন কৰিব। তেখেতে লগতে কয় যে বৰ্তমানৰ অসম চৰকাৰৰ কাৰ্যকালত কোনো খিলঞ্জীয়াই নিজৰ অধিকাৰক লৈ শংকিত হ'ব নালাগে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

টংকেশ্বৰ ৰাভাৰ নেতৃত্বত ৰাভা হাছাং স্বায়ত্ত শাসিত পৰিষদে গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই পৰিষদখনে যাতে সাংবিধানিক মৰ্যাদা পাব পাৰে তাৰ বাবে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। তেখেতে কয় যে ৰাজ্যখনৰ সকলো সৰু-বৰ জাতি-জনগোষ্ঠীৰ ভাষা, সংস্কৃতি সুৰক্ষাৰ বাবে অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। 'ভাষা গৌৰৱ' আঁচনিৰ অধীনত খিলঞ্জীয়া ভাষা সমূহৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ উপৰি অসম সাহিত্য সভাকে ধৰি প্ৰতিখন খিলঞ্জীয়া সাহিত্য সভালৈ অসম চৰকাৰে এককালীন আৰ্থিক অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত লৈছে বুলিও কয়।

গোৱালপাৰা জিলাৰ ভৌগোলিক বাতবৰণ অতি মনোমোহা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই জিলাখনৰ কৃষকে কৃষিখণ্ডত আজি বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিছে। দৰংগিৰী বজাৰৰ কল আৰু জিলাখনত উৎপাদিত ক'লা ধানে বিশ্বৰ বজাৰ দখল কৰিছে। ৰাজ্যৰ কৃষক সকলৰ মান-স্বাভিমান উজ্জীৱিত হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আজি অসমৰ কৃষকৰ উৎপাদিত সামগ্ৰী ডুবাই, আবুধাবি, ছিংগাপুৰকে ধৰি দক্ষিণ পূব এছিয়াৰ লগতে ইউৰোপৰ বজাৰলৈ গতি কৰিছে। মুখ্যমন্ত্ৰী সোণোৱালে গোৱালপাৰা জিলাত অসম কৃষি বিশ্ববিদ্যালয়ৰ এটা সম্প্ৰসাৰণ কেন্দ্ৰকে ধৰি অসম চৰকাৰে আহিবলগীয়া দিনবোৰত ৰূপায়ণ কৰিবলগীয়া বিভিন্ন পদক্ষেপৰ কথাও উল্লেখ কৰে।

ছাত্ৰ-ছাত্ৰীসকলক গভীৰ অধ্যয়নৰ প্ৰতি মনোযোগ দিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শিক্ষাই জ্ঞান দিয়ে আৰু জ্ঞানে শক্তি দিয়ে। ছাত্ৰ-ছাত্ৰীসকলে যাতে এই শক্তি আহৰণ কৰিব পাৰে তাৰ বাবে অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক ছাত্ৰ-ছাত্ৰীৰ মনত গভীৰ অধ্যয়নৰ প্ৰতি ধাউতি বৃদ্ধি কৰিবলৈ পদক্ষেপ লোৱাৰ বাবেও মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়।

বিত্ত, স্বাস্থ্য আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাভা হাছাং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া টংকেশ্বৰ ৰাভা আৰু নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি ৰমেন সিং ৰাভাইও সভাত ভাষণ প্ৰদান কৰে। মুকলি সভাৰ উদ্বোধন কৰে আৰছুৰ উপদেষ্টা ৰমিঅ' ল'ক'বকে। আৰছুৰ সভাপতি ৰমেন সিং ৰাভা আৰু নিখিল ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী হেমা ৰাভাই পৌৰোহিত্য কৰা এই মুকলি সভাত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, দুধনৈ সমষ্টিৰ বিধায়ক দীপক ৰাভা, নিখিল ৰাভা সাহিত্য সভাৰ মুখ্য সম্পাদক ৰাজকুমাৰ ৰাভা, ৰাভা হাছাং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ চাৰুমোহন ৰাভা, গোৱালপাৰা জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ/**
**১১/১/২০২০**